No. of Printed Pages—2

79 (SS)

[17–HDGKACRM–M3]

MA 3rd Semester Exam., 2017

ASSAMESE

[MAS (S3) 09]

(সাহিত্য সমালোচনা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমু উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) প্ৰকৰণ বক্ৰতা বুলিলে কি বুজা যায় ?

(b) 'বক্ৰোক্তি'ৰ স্বৰূপ নিৰ্ণয় কৰক।

(c) ছনেট বুলিলে কি বুজা যায়, লিখক।

(d) ভৰতৰ নাট্যশাস্ত্ৰত নাটকৰ সংজ্ঞা কি বুলি নিৰূপণ কৰা হৈছে ?

(e) নাট্যশ্লেষ বুলিলে কি বুজে ? নাটকত নাট্যশ্লেষৰ গুৰুত্ব কি ?

(f) চুটিগল্পত প্ৰতীক আৰু ৰূপকৰ গুৰুত্ব কি বুলি সমালোচকসকলে নিৰূপণ কৰিছে ?

2. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) ৰস সম্পৰ্কে শ্ৰীশঙ্কুকৰ মতবাদটিৰ চমু বিশ্লেষণ আগবঢ়াওক।

(b) ধ্বনিবাদ বুলিলে কি বুজা যায় বুলি সমালোচকসকলে ঠাৱৰ কৰিছে, উদাহৰণসহ বুজাই লিখক।

(c) উপন্যাসৰ কথকতা সম্পৰ্কে চমুকৈ আলোচনা কৰক।

(d) নব্য সমালোচনা সম্পৰ্কে এটি টোকা লিখক।

3. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) ৰস কাক বোলে? ৰসৰ স্বৰূপ নিৰূপণ কৰি উদাহৰণসহ এটি টোকা লিখক।

(b) ধ্বনিৰ বিপক্ষে থকা মতবাদসমূহ আলোচনা কৰক।

(c) ভাৰতীয় অলংকাৰশাস্ত্ৰত বক্ৰোক্তিবাদৰ স্থান সম্পৰ্কে এটি আলচ যুগুত কৰক।

(d) সংযুতিবাদৰ বিষয়ে উদাহৰণসহ বহলাই আলোচনা কৰক।

4. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) ধ্বনিৰ ভাগ-বিভাজন কৰি প্ৰত্যেক বিধৰে উদাহৰণসহ ব্যাখ্যা কৰক।

(b) কবিতাৰ সাৰবস্তু বা আত্মা কি বুলি আপুনি অনুভৱ কৰে? সমালোচকসকলে ইয়াৰ ভিতৰত কি কি দিশ অন্তৰ্ভুক্ত কৰিছে? সেইবোৰৰ বিষয়ে বহলাই আলোচনা কৰক।

(c) নাটকৰ সংজ্ঞা নিৰূপণ কৰি চৰিত্ৰ আৰু সংলাপৰ গুৰুত্ব কি, সেই বিষয়ে বুজাই লিখক।

(d) আধুনিক উপন্যাস বুলিলে সাৰ্বিকভাৱে কি বুজা যায়? এই বিষয়ে বহলাই আলোচনা আগবঢ়াওক।

(e) চুটিগল্পৰ সৈতে সাহিত্যৰ আন আন বিভাগবোৰৰ এটি তুলনামূলক আলোচনা প্ৰস্তুত কৰক।

★★★